**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডৰ ভ্ৰমণ সামৰি আজি বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে চুইডেনত উপস্থিত হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৫ মে'ত ২০২৬ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব।

৩। জ্যেষ্ঠ কংগ্ৰেছ নেতা ভি দি সথিচানে কাইলৈ কেৰালামৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

৪। পশ্চিম এছিয়াৰ যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে হৰমুজ প্ৰণালীৰ মাজেৰে ইৰাণে এতিয়াৰে পৰা শত্ৰু পক্ষক সহযোগিতা কৰা দেশসমূহক সামৰিক সজুলি পৰিবহনৰ অনুমতি নিদিয়ে বুলি ঘোষণা কৰিছে। ***আৰু***

৫। ধৰমশালাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে - পাঞ্জাব কিংছক জয়ৰ বাবে ২২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডৰ ভ্ৰমণ সামৰি আজি বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে চুইডেনত উপস্থিত হয়। এই সময়ছোৱাত শ্ৰীমোদীয়ে চুইডেনৰ প্ৰধানমন্ত্ৰী অল্ফ ক্ৰিষ্টাৰ্ছনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বাণিজ্য, কৃত্ৰিম বুদ্ধিমত্তা, ষ্টাৰ্ট আপ, স্থিতিস্থাপক যোগান শৃংখল, প্ৰতিৰক্ষা, মহাকাশ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰত আলোচনা অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে গোটেনবাৰ্গ অভিমুখে ৰাওনা হোৱাৰ সময়ত নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটন আমষ্টাৰদাম বিমান বন্দৰত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিদায় সম্ভাষণ জনায়। নেডাৰলেণ্ডৰ ভ্ৰমণৰ সময়ছোৱাত শ্ৰী মোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী ৰব জেটনৰ লগতে আন আন মন্ত্ৰীৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। দুয়োপক্ষই প্ৰতিৰক্ষা, গুৰুত্বপূৰ্ণ খনিজ সম্পদ, আৰু অন্যান্য ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ বাবে ১৭ খনকৈ চুক্তিত স্বাক্ষৰ কৰে। পশ্চিম এছিয়াৰ যুদ্ধসদৃশ পৰিস্থিতিৰ ফলত সমগ্ৰ বিশ্বতে শক্তি আৰু বাণিজ্যৰ ক্ষেত্ৰত পৰা বিৰূপ প্ৰভাৱক লৈ দুয়োগৰাকী নেতাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। চুইডেনলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী জেটেনৰ সৈতে দেশখনৰ গুৰুত্বপূৰ্ণ বান্ধ আফ্শ্লুইটদায়িক পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত দুয়োখন দেশে জল ব্যৱস্থাপনা আৰু পৰিবেশ অনুকুল আন্তঃগাথনি নিৰ্মাণৰ ক্ষেত্ৰত সহযোগিতাক লৈ বিশদভাৱে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীৰ এই বান্ধ পৰিদৰ্শন গুজৰাটৰ অভিলাসী প্ৰকল্প **কল্পসাৰ**ৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে ভাৰত নেডাৰলেণ্ডৰ কাৰিকৰী সহযোগিতাত গুজৰাটৰ খাম্বাত উপসাগৰত ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা বান্ধ নিৰ্মাণ কৰা হ'ব। এই বান্ধৰ মূল উদ্দেশ্য হৈছে নৰ্মদা, সাৱৰমতী, মাহি আৰু ধাধৰকে ধৰি মূল নৈসমূহৰ পৰা অহা অলুনীয়া পানী আৱদ্ধ কৰি এক বিশাল উপকুলীয় জলাশয় গঢ়ি তোলা। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে তেওঁৰ নেডাৰলেণ্ড ভ্ৰমণে দেশ দুখনৰ দ্বিপাক্ষিক

সম্পৰ্কক এক নতুন মাত্ৰা প্ৰদান কৰিলে। তেওঁ লগতে কয় যে এই ভ্ৰমণে দেশ দুখনৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ লগতে চেমিকনডাক্টৰ, উদ্ভাৱন, প্ৰতিৰক্ষা, বহনক্ষমতা, গতিশীলতা আদি ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাটো নিশ্চিত হৈ পৰিছে। দুয়োখন দেশে ভৱিষ্যতৰ বাবে এক অভিলাসী ৰূপৰেখা প্ৰস্তুত কৰি উলিয়াইছে বুলিও শ্ৰীমোদীয়ে  বাৰ্তাটোত উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বাৰ্তাটোত উল্লেখ কৰে যে অনাগত বছৰবোৰত ভাৰত আৰু নেডাৰলেণ্ডৰ বন্ধুত্ব দৃঢ় হৈ থাকিব। উল্লেখযোগ্য যে ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দেশখনৰ শক্তি, বন্দৰ, স্বাস্থ্য, কৃষি, বাণিজ্য আৰু প্ৰযুক্তিকে ধৰি বিভিন্ন খণ্ডৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। নেডাৰলেণ্ডৰ প্ৰতিষ্ঠানসমূহক শ্ৰীমোদীয়ে ভাৰতত বিনিযোগৰ বাবেও আমন্ত্ৰণ জনায়। ০০০০

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৫ মে'ত ২০২৬ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত ইতিমধ্যে নাম ঘোষণা কৰা ব্যক্তিসকলক ৰাষ্ট্ৰপতিয়ে পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ভাৰত চৰকাৰে ১৩১ গৰাকী ব্যক্তিক পদ্ম বঁটাৰ বাবে নিৰ্বাচিত কৰিছিল। ইয়াৰ ভিতৰত ৫ গৰাকীলৈ পদ্মবিভূষণ, ১৩ গৰাকীলৈ পদ্মভূষণ, আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী বঁটা আগবঢ়োৱা হৈছে। বঁটা প্ৰাপকসকলৰ ভিতৰত ১৯ গৰাকী মহিলা আছে। আনহাতে, ১৬ গৰাকী ব্যক্তিক মৰনোত্তৰভাৱে এই বঁটা প্ৰদান কৰা হ'ব। ১৯৫৪ চনৰে পৰা এতিয়ালৈকে প্ৰতিবছৰে গণৰাজ্য দিৱসৰ দিনা বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়।

০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা ভি দি সথিচানে কাইলৈ কেৰালামৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। দীৰ্ঘদিনীয়া অচলাৱস্থাৰ অন্ত পেলাই যোৱা ১৪ মে'ত কংগ্ৰেছ নেতৃত্বই সথিচানক ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰিছিল। উল্লেখযোগ্য যে কেৰালাম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টে দুই তৃতীয়াংশতকৈ অধিক আসন লাভ কৰি সংখ্যাগৰিষ্ঠ দল হিচাপে নিৰ্বাচিত হৈছিল। কিন্তু বিভিন্ন কাৰণত মিত্ৰজোটে  কোনো এজন নেতাকে মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিব পৰা নাছিল। ভি দি সথিচানৰ লগতে কাইলৈ আন ২০ গৰাকী মন্ত্ৰীয়েও শপত গ্ৰহণ কৰিব। আজি সন্ধিয়া ভি দি সথিচানে ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লাৰকাৰক সাক্ষাৎ কৰি শপত গ্ৰহণ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা দাখিল কৰে। থিৰুৱনন্তপুৰমৰ ছেণ্ট্ৰেল ষ্টেডিয়ামত শপত গ্ৰহণ অনুষ্ঠানৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

০০০০০

পশ্চিম এছিয়াৰ যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে ইৰাণে হৰমুজ প্ৰণালীক লৈ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। হৰমুজ প্ৰণালীৰ মাজেৰে ইৰাণে এতিয়াৰে পৰা শত্ৰু পক্ষক সহযোগিতা কৰা দেশসমূহক সামৰিক সজুলি পৰিবহনৰ অনুমতি নিদিয়ে বুলি ঘোষণা কৰিছে। দেশখনৰ উপৰাষ্ট্ৰপতি ৰেজা আৰিফে কয় যে তেহৰাণে ইয়াৰ পূৰ্বে এই জলপথছোৱাত তেওঁলোকৰ সাৰ্বভৌমত্ব প্ৰয়োগ কৰাৰ পৰা বিৰত আছিল। কিন্তু এতিয়াৰে পৰা এই নীতি দেশখনে সলনি কৰিব। কালি ইৰাণৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সমিতিৰ মুৰব্বী ইব্ৰাহীম আজিজিয়ে ঘোষণা কৰে যে ইৰাণে হৰমুজ প্ৰণালীৰ এক নিৰ্দিষ্ট পথেৰে সামুদ্ৰিক যাতায়াত নিয়ন্ত্ৰণ কৰিবলৈ এটা পেছাদাৰী ব্যৱস্থা প্ৰস্তুত কৰি উলিয়াইছে। এই

ব্যৱস্থাটোৱে কেৱল বাণিজিক জাহাজ আৰু ইৰাণৰ সৈতে সহযোগিতা কৰা দেশসমূহকহে পাৰ হৈ যোৱাৰ অনুমতি দিব।

০০০০০

কেন্দ্ৰীয় নব্য আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে ভাৰতে এতিয়া বিদ্যুৎৰ সৰ্বোচ্ছ চাহিদাৰ সময়ত এটা দিনতে প্ৰয়োজন হোৱা ২৫৬ দশমিক ৪ গিগাৱাট বিদ্যুৎ সফলতাৰে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। এটা ব্যক্তিগত ইংৰাজী সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীযোশীয়ে কয় যে বিদ্যুৎৰ এই চাহিদাৰ প্ৰায় ৩৩ শতাংশ বিদ্যুৎ নৱীকৰণযোগ্য শক্তি প্ৰকল্পৰ জৰিয়তে আহৰণ কৰা হৈছে। তেওঁ কয় যে ভাৰতৰ শক্তি খণ্ডৰ আন্তঃগাথনি এতিয়া অধিক শক্তিশালী আৰু ভৱিষ্যতৰ বাবে  সবল হোৱাকৈ প্ৰস্তুত হৈ উঠিছে। তেওঁ লগতে কয় যে শক্তিখণ্ডৰ এই পৰিৱৰ্তনে দেশৰ বিকাশৰ যাত্ৰাত অধিক ত্বৰান্বিত কৰাত সহায় কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধীনগৰত থকা  নেচনেল ইনষ্টিটিউট অৱ ডিজাইনত উদ্ভাৱন আৰু সৃজনীশীল কেন্দ্ৰ এটা উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশ্বাহে কয় যে নেচনেল ইনষ্টিটিউট অৱ ডিজাইনৰ দৰে প্ৰতিষ্ঠানৰ গুৰুত্ব বৰ্তমান সময়ত অপৰিসীম। এনে প্ৰতিষ্ঠানে সৃষ্টিশীলতাক উদ্যোগশীলতাৰ সৈতে সংযোগ কৰে। তেওঁ কয় যে নেচনেল ইনষ্টিটিউট অৱ ডিজাইনৰ দৰে প্ৰতিষ্ঠানসমূহে যুৱক-যুৱতীসকলক উদ্ভাৱন আৰু পেচাদাৰিত্ব বিকাশৰ বাবে সঠিক মঞ্চ প্ৰদান কৰি আহিছে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী পিযুষ গোৱেলো উপস্থিত থাকে। আনহাতে শ্ৰীশ্বাহে গান্ধীনগৰত ৫ লাখ লিটাৰ ক্ষমতা সম্পন্ন মধুৰ নামৰ এটা দুগ্ধ প্ৰকল্পও উদ্বোধন কৰে।

০০০০০

২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ গণনাৰ বাবে ক্ষেত্ৰ ভিত্তিক কাৰ্যকলাপ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আৰম্ভ হৈছে। ৰাজস্থান, মেঘালয়, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ পৌৰ সভা এলেকাত এই গণনা আৰম্ভ হৈছে। ইফালে অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, বিহাৰ, চণ্ডীগড়, ছত্তিচগড়, দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউ, হাৰিয়ানা, মধ্য প্ৰদেশ, পঞ্জাব, তেলেংগানা আৰু উত্তৰাখণ্ডত গৃহ তালিকাভুক্তকৰণৰ কাম চলি আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জনোৱা অনুসৰি ব্যাপক আৰু সঠিক তথ্য নিশ্চিত কৰিবলৈ গণনা প্ৰক্ৰিয়াত প্ৰথমবাৰৰ বাবে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰ ভ্ৰমণৰ সময়ত গৃহৰ অৱস্থা, ঘৰৰ সবিশেষ, উপলব্ধ সুবিধা আৰু পৰিয়ালৰ হাতত থকা সম্পত্তিৰ সৈতে জড়িত তথ্যসমূহ ৩৩ টা প্ৰশ্ন সম্বলিত প্ৰশ্নাৱলীৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে গুজৰাট, জম্মু-কাশ্মীৰ, লাডাখ আৰু পুডুচেৰীত আজি আৰম্ভ হোৱা স্ব-গণনাৰ সুবিধা চলিত মাহৰ ৩১ তাৰিখলৈকে উপলব্ধ হ'ব। উত্তৰ প্ৰদেশতো এই স্ব-গণনা ২১ মে পৰ্যন্ত চলিব। লোকপিয়লৰ কাৰ্যকলাপত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা স্ব-গণনাৰ সুবিধাই জনসাধাৰণৰ পৰা উৎসাহজনক সহাঁৰি লাভ কৰিছে। ইতিমধ্যে ২৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১ কোটি ৪৪ লাখতকৈ অধিক পৰিয়ালে চৰকাৰী প'ৰ্টেলৰ জৰিয়তে স্ব-গণনা সম্পন্ন কৰিছে। এই প্ৰক্ৰিয়াই লোকপিয়লক ডিজিটেলাইজ কৰাৰ লগতে দেশৰ নাগৰিকক লোকপিয়লত অংশগ্ৰহণ কৰিবলৈ সুবিধাজনক আৰু সুৰক্ষিত মঞ্চ প্ৰদান কৰিছে।
০০০০

০০০০০

চীনত অনুষ্ঠিত বাউজী চীনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাত ভাৰতৰ শ্ৰিয়াংশী বালিছেট্টীয়ে ৰূপৰ পদক লাভ কৰিছে। বাউজী ছিটি জিমনেছিয়ামত অনুষ্ঠিত চুপাৰ হান্দ্ৰেদ ইভেণ্টত বালিছেট্টীয়ে চীনৰ আন ফি কিউৱানক ১৪-২১, ৬-২১ ছেটত পৰাস্ত কৰে।

০০০০০

ধৰমশালাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে - পাঞ্জাব কিংছক জয়ৰ বাবে ২২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৯ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰি খেলি আছে।

আনহাতে, সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'বলগীয়া আন এখন খেলত দেলহী কেপিটেলছ-ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ